# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 19-April-2026
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------

১। চিৰাং জিলাৰ হিংসাত্মক কাৰ্যত লিপ্ত থকাৰ অভিযোগত আৰু ছজন লোকক গ্ৰেপ্তাৰ।

২। লোকপিয়ল-২০২৭ৰ অধীনত ৰাজ্যত অহা ২ আগষ্টৰ পৰা জনগণনা আৰম্ভ।

৩। জাতীয় উৎসৱ ৰঙালী বিহুৰ ষষ্ঠ দিনত ৰাজ্যজুৰি চেনেহী বিহু পালন।

**আৰু**

৪। ৰাষ্ট্ৰীয় যুৱ বক্সিং প্ৰতিযোগিতাত অসমৰ নিকশিতা কোঁৱৰৰ স্বৰ্ণপদক অৰ্জন।

ooooo

চিৰাং জিলাৰ ৰুণীখাটাত হিংসাত্মক কাৰ্য সংঘটিত কৰা আৰু ছজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। বৃহস্পতিবাৰে নিশা ১৫ গৰাকী অপৰাধীক আটক কৰাৰ পাছত চিৰাং আৰক্ষীয়ে আজি পুৱাৰ ভাগত পুনৰ ছজন লোকক গ্ৰেপ্তাৰ কৰে। ইয়াৰ লগে লগে বনাঞ্চলিক কাৰ্যালয়ত চলোৱা হিংসাত্মক কাৰ্যত জড়িত গ্ৰেপ্তাৰ হোৱা লোকৰ সংখ্যা ২১ লৈ বৃদ্ধি পালে। ধৃত লোকসকলক আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। ইতিমধ্যে অঞ্চলটোৰ পৰিস্থিতি ক্ৰমান্বয়ে উন্নত হ'বলৈ ধৰিছে। অৱশ্যে অঞ্চলটোত এতিয়াও কটকটীয়া সুৰক্ষা ব্যৱস্থা বলৱৎ হৈ আছে। ৰুণীখাটাত আইন-শৃংখলা বৰ্তাই ৰখাৰ বাবে দ্ৰুত কাৰ্যবাহিনী দল নিয়োগ কৰা হৈছে আৰু চাৰিখন জিলাৰ পৰা অনা আৰক্ষী কৰ্মী নিয়োগ কৰা হৈছে। উৰা বাতৰি আৰু উচতনিমূলক বাৰ্তাৰ প্ৰসাৰ ৰোধ কৰাৰ বাবে চিৰাং আৰু কোকৰাঝাৰ জিলাত আজিও ম'বাইল ইণ্টাৰনেট সেৱা বন্ধ কৰি ৰখা হৈছে। ইয়াৰ ফলত ব্যৱসায়ৰ সৈতে জড়িত লগতে ইণ্টাৰনেট সেৱাৰ জৰিয়তে জীৱিকা চলোৱা লোকসকল সমস্যাৰ সন্মুখীন হোৱা পৰিলক্ষিত হৈছে। ০০০

ooooo

বিশ্বৰ সৰ্ববৃহৎ জনগণনা প্ৰক্ৰিয়া লোকপিয়ল-২০২৭ৰ অধীনত ৰাজ্যত এই প্ৰক্ৰিয়া অহা ২ আগষ্টৰ পৰা আৰম্ভ হ'ব। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে জনগণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্টেম্বৰ পৰ্যন্ত চলিব। এই প্ৰক্ৰিয়াত ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। বিষয়াসকলক জুন মাহৰ পৰা লোকপিয়লৰ প্ৰশিক্ষণ দিয়া হ'ব। ৰাজ্যিক লোকপিয়ল সঞ্চালক বিশ্বজিৎ পেগুৱে আজি এই বিষয়ে জানিবলৈ

দিয়ে। উল্লেখযোগ্য যে দেশৰ অন্যান্য ঠাইসমূহত ইতিমধ্যে যোৱা এক এপ্ৰিলৰ পৰা লোকপিয়ল আৰম্ভ হৈছে। অসম, তামিলনাডু, পশ্চিমবংগ, কেৰলম আৰু পুডুচেৰীত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এই প্ৰক্ৰিয়া পলমকৈ আৰম্ভ হ'ব।

দেশৰ যোড়শ আৰু স্বৰাজোত্তৰ ভাৰতৰ অষ্টম লোকপিয়লত  সামাজিক অৱস্থা আৰু জাতিগত গণনাকে ধৰি জনসংখ্যা আৰু গৃহ পিয়ল অন্তৰ্ভুক্ত হ'ব। ২০২৭ চনৰ ফেব্ৰুৱাৰী পৰ্যন্ত চলিবলগীয়া এই লোকপিয়ল দুটা পৰ্যায়ত হ'ব। প্ৰথম পৰ্যায়ত ঘৰৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু দ্বিতীয় পৰ্যায়ত জনসংখ্যাৰ গণনা কৰা হ'ব। ইয়াৰ বাবে অহা বছৰৰ পহিলা এপ্ৰিলক ভিত্তি তাৰিখ হিচাপে নিৰ্ধাৰণ কৰা হৈছে। দেশত এইবাৰ প্ৰথমবাৰৰ বাবে সম্পূৰ্ণ ডিজিটেল প্ৰক্ৰিয়াৰে লোকপিয়ল হৈছে। এই প্ৰক্ৰিয়াত এণ্ড্ৰইদ আৰু আই অ' এছত উপলভ্য মোবাইল এপৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হৈছে। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্পৰ ব্যৱস্থা কৰা হৈছে। ঘৰৰ গণনাৰ সময়ত সকলো ভৱন আৰু পৰিকাঠামোৰ তালিকাৰ প্ৰস্তুত কৰা হ'ব আৰু বাসগৃহৰ স্থিতি, সা-সুবিধা তথা সম্পদৰ তথ্য সংগ্ৰহ কৰা হ'ব। বাসগৃহসমূহৰ জিঅ' টেগিং কৰা হ'ব আৰু প্ৰতিটো ঘৰক অনন্য পৰিচয়সূচক নম্বৰ প্ৰদান কৰা হ'ব। এই সমগ্ৰ প্ৰক্ৰিয়াটোত ৩০ লাখৰো অধিক গণনা কৰ্মী, পৰ্যবেক্ষক আৰু অন্য বিষয়া নিয়োগ কৰা হৈছে। জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব। লোকপিয়লৰ দ্বিতীয় পৰ্যায় অহা বছৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। এই পৰ্যায়ত বয়স, লিংগ, বৃত্তি, সাক্ষৰতা আৰু জাতিগত সবিশেষকে ধৰি ব্যক্তিগত তথ্য আহৰণ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে লোকপিয়ল-২০২৭ৰ বাবে ১১ হাজাৰ ৭১৮ কোটিৰো অধিক টকাত অনুমোদন দিছে।

০০০০০

সাদিনীয়া ৰঙালী বিহুৰ আজি ষষ্ঠ দিনটো ৰাজ্যত চেনেহী বিহু বা জীয়ৰী বিহু হিচাপে পালন কৰা হৈছে। এই দিনটোত বিবাহিতা জীয়াৰীসকল মাতৃ গৃহলৈ যোৱাৰ পৰম্পৰা আছে। সেয়েহে এই বিহুক জীয়ৰী বা চেনেহী বিহু বুলি কোৱা হয়। অসমীয়া সংস্কৃতিত সাতবিহুৰ অন্যতম এই চেনেহী বিহুৰ বিশেষ গুৰুত্ব আছে।

ৰঙালী বিহুৰ সমান্তৰালভাৱে ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীসমূহৰ পাৰম্পৰিক বসন্ত উৎসৱসমূহো উলহ-মালহেৰে   পালন কৰা হৈছে। শৰণীয়া কছাৰীসকলৰ বাঁহ গোঁসাই উৎসৱো তামুলপুৰৰ বৰনগৰত থকা ৰাজহুৱা খেলপথাৰত আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছে। সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজিত এই অনুষ্ঠান সন্দৰ্ভত শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ বিষয়ববীয়াই এইদৰে কয়-

(বাইট)

ইফালে ৰঙালীৰ লগতে ৰংজালী বৈচাগুৰ উচাহেও তামুলপুৰ জিলাৰ আকাশ-বতাহ মুখৰিত কৰা দেখা গৈছে। ৰংজালী গান্ধীবাৰীত আয়োজিত আঞ্চলিক ৰঙালী বিহু সন্মিলন আৰু ৰংজালী বৈচাগু আফাদৰ সোণালী জয়ন্তী বৰ্ষৰ আজি অন্তিম দিনটোত এটা বিশাল বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰাত অসমীয়া জাতিয় কৃষ্টি-সংস্কৃতিৰ লগতে বড়ো, কোচ ৰাজবংশী, নেপালী আৰু আদিবাসীসকলৰ স্বকীয় কলা-সংস্কৃতি প্ৰদৰ্শন কৰা হয়।

ইফালে, নামনি অসমৰ উল্লেখযোগ্য লোক উৎসৱ ভঠেলী বা **দহৰ ফুৰুৱা**ৰো আজি পৰম্পৰাগত ৰীতি-নীতিৰে সামৰণি পৰে। এই লোক উৎসৱৰ বাবে এডাল ৫-৬ হাত দীঘল বাঁহ কাটি সুন্দৰকৈ পৰিষ্কাৰ কৰি গৰু

বিহুৰ দিনাখন গোঁসাই দহৰ বাঁহ সজোৱা হয়। মূৰত পিতলৰ এটা চোলা পিন্ধাই গোঁসাই বাঁহ ডাল ৰঙীন কাপোৰেৰে মেৰিয়াই ওপৰত ৰুমাল, চোৰাৰ অথবা ফুলাম বিহুৱান গাঁঠি দি গোঁসাই বা অৰ্থাৎ দহৰ গোঁসাই বাঁহ প্ৰস্তুত কৰি লোৱা হয়। পিছত গাঁৱৰ চেমনীয়াসকলে দহৰ গোঁসাইক ঢোল, তাল, বৰকাঁহ, শংস আদি মাংগলিক বাদ্য বজাই ঘৰে ঘৰে নি পৰিয়ালৰ মংগল কামনা কৰি আশীৰ্বাদ দিয়া হয়।

০০০০০

সত্ৰীয়া সংস্কৃতি চৰ্চা আৰু গৱেষণা পৰিষদ অসম তথা আউনীআটী বিশ্ববিদ্যালয়ৰ মাজত আজি ঐতিহাসিক আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ চ'ৰাত এখন বুজাবুজি চুক্তি সম্পন্ন হয়। এই চুক্তি অনুসৰি অনাগত দিনসমূহত পৰিষদ আৰু বিশ্ববিদ্যালয়ৰ যুটীয়া প্ৰচেষ্টাত সত্ৰীয়া গীত, নৃত্য, বাদ্যকে ধৰি ভাস্কৰ্য্য, শিল্পকলা আদি শিল্পসমূহ জনসাধাৰণৰ মাজলৈ বিশেষকৈ নৱপ্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ প্ৰয়াস কৰা হ'ব। এই অনুষ্ঠানত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ তথা আউনীআটী বিশ্ববিদ্যালয় আচাৰ্য্য ড০ পিতাম্বৰদেৱ গোস্বামী, গড়মূৰ সৰু সত্ৰৰ সত্ৰাধিকাৰ দেবানন্দদেৱ গোস্বামী পৰিষদৰ সচিবকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

গুৱাহাটীত অনুষ্ঠিত অষ্টম ৰাষ্ট্ৰীয় যুৱ বক্সিং প্ৰতিযোগিতাত নিকশিতা কোঁৱৰে সোণৰ আৰু সন্দীপ বসমুতাৰীয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। সোনাপুৰৰ অসম ডনবস্ক বিশ্ববিদ্যালয়ত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ প্ৰতিযোগিতাখনৰ আজি অন্তিম দিনা ছোৱালীৰ ৬৫ কিলোগ্ৰাম শাখাত হাৰিয়ানাৰ বনছিকাক অসমৰ নিকশিতাই ৩-২ ব্যৱধানত পৰাস্ত কৰে। জীৱনৰ প্ৰথমটো ৰাষ্ট্ৰীয় জুনিয়ৰ প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰি সোণৰ পদক অৰ্জন কৰিও নিকশিতাই আন এক অভিলেখ গঢ়ে। আজি সামৰণি পৰা ৰাষ্ট্ৰীয় যুৱ বক্সিং প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত ল'ৰাৰ ৮০ কিলোগ্ৰাম শাখাৰ ছেমিফাইনেলত পৰাস্ত হৈ অসমৰ সন্দীপ বসুমতাৰীয়ে ব্ৰঞ্জৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়।

০০০০০

সমাপ্ত